DAILY ASSAM

## দ্বিতীয় অধ্যায়

# ভাৰতৰ সংবিধানত থকা অধিকাৰবোৰ

# (RIGHTS IN THE INDIAN CONSTITUTION)

**পৰিচয়**

এখন সংবিধান কেৱল চৰকাৰৰ বিভিন্ন অঙ্গৰ গঠন আৰু সেই সেইবোৰৰ সম্পৰ্কই নহয়। আমি শেষৰ অধ্যায়ত আলোচনা কৰাৰ দৰে, সংবিধান হৈছে এখন দলিল যিয়ে চৰকাৰৰ ক্ষমতাত সীমাবদ্ধতা আনি দিয়ে আৰু এটা গণতান্ত্ৰিক ব্যৱস্থা নিশ্চিত কৰে য'ত সকলো ব্যক্তিয়ে কিছুমান অধিকাৰ উপভোগ কৰে। এই অধ্যায়ত, আমি ভাৰতীয় সংবিধানত থকা মৌলিক অধিকাৰ অধ্যয়ন কৰিম। ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত মৌলিক অধিকাৰবোৰ অন্তৰ্ভূক্ত কৰা হৈছে আৰু এই অধিকাৰবোৰৰ ওপৰত থকা সীমাবদ্ধতাবোৰ উল্লেখ কৰিছে। যোৱা পঞ্চাশ বছৰত এই অধিকাৰবোৰৰ পৰিসৰৰ পৰিবৰ্তন হৈছে, আৰু কিছু ক্ষেত্ৰত ই বৃদ্ধি হৈছে। এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত তুমি জানিবা—

- *ভাৰতীয় সংবিধানত অন্তৰ্ভূক্ত বিভিন্ন মৌলিক অধিকাৰ সমূহ কি কি?*
- *এই অধিকাৰ সমূহ কেনেকৈ সুৰক্ষিত কৰিব পাৰি;*
- *এই অধিকাৰ সমূহ ব্যাখ্যা কৰাত আৰু সুৰক্ষা দিয়াত ন্যায় বিভাগে কেনেকুৱা ধৰণৰ ভূমিকা পালন কৰিছে; আৰু*
- *মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিৰ মাজত পাৰ্থক্য কি?*

**১৯৮২ চনত** এছিয়া খেলৰ নিৰ্মাণ কাৰ্যৰ সময়ত চৰকাৰে কিছুমান ঠিকাদাৰ নিয়োগ কৰিছিল। এই ঠিকাদাৰসকলে ষ্টেডিয়াম আৰু উৰণীয়া সেতু নিৰ্মাণৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ বহুতো দুখীয়া নিৰ্মাণ কৰ্ম্মীক নিয়োগ কৰিছিল। এই বনুৱা সকলক খুউব শোচনীয় কৰ্মৰ পৰিবেশত ৰখা হৈছিল আৰু চৰকাৰে নিৰ্ধাৰিত কৰা নিম্নতম মজুৰিতকৈও কম মজুৰি তেওঁলোকক দিয়া হৈছিল।

এদল সমাজ বিজ্ঞানীয়ে তেওঁলোকৰ শোচনীৰ পৰিবেশ অধ্যয়ণ কৰি উচ্চতম ন্যায়লয়ত আবেদন জনাইছিল। তেওঁলোকে যুক্তি দৰ্শাইছিল যে এজন ব্যক্তিক নিৰ্ধাৰিত মূল্যতকৈ কম মূল্যত কামত নিয়োগ কৰাটো ভিক্ষাৰী বা বলপূৰ্বক-শ্ৰমৰ সমপৰিমাণৰ হ'ব। যিটো এটা শোষণৰ বিৰুদ্ধে মৌলিক অধিকাৰ খৰ্ব হ'ব। বিচাৰালয়ে এই আবেদন সমৰ্থন কৰিছিল আৰু চৰকাৰক নিৰ্দেশ দিছিল এইটো নিশ্চিত কৰাৰ বাবে যাতে হাজাৰ হাজাৰ বনুৱাই তেওঁলোকৰ কৰ্মৰ বাবে নিৰ্ধাৰিত মজুৰি লাভ কৰিব পাৰে।

**মাচাল লালুং (Machal Lalung)** ২৩ বছৰীয়া আছিল যেতিয়া তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল। অসমৰ মৰিগাওঁ জিলাৰ চুবুৰী গাঁৱৰ এজন বাসিন্দা তেওঁক নিদাৰুণ আঘাট ঘটোৱাৰ বাবে দোষী সাব্যস্ত কৰা হৈছিল। বিচাৰৰ বাবে থিয় হ'বলৈ মানসিকভাৱে তেওঁক বৰ অসুস্থ অৱস্থাত পোৱা গৈছিল আৰু বিচাৰাধীন অৱস্থাত তেওঁক পঠাই দিয়া হৈছিল তেজপুৰত থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ মানসিক চিকিৎসালয়ত চিকিৎসাৰ বাবে।

মাচালক সফলভাবে চিকিৎসা কৰা হৈছিল আৰু ডাক্তৰে ১৯৬৭ চনত আৰু ১৯৯৬ চনত জেল কৰ্তৃপক্ষলৈ দুবাৰ লিখিছিল যে সি বিচাৰৰ বাবে সম্পূৰ্ণ সুস্থ হৈ উঠিছিল। কিন্তু কোনেও একো গুৰুত্ব দিয়া নাছিল। মাচাল লালুং "ন্যায়িক জিম্মাত" তেনেকৈয়েই থাকি গৈছিল।

২০05 চনৰ জুলাই মাহত মাচাল লালুংক এৰি দিয়া হৈছিল। সি তেতিয়া ৭৭ বছৰ বয়সীয়া আছিল। সি ৫৪ বছৰ বিচাৰাধীন অৱস্থাত জেলত কটাইছিল আৰু সেইখিনি সময়ত তাৰ মোকৰ্দ্দমাতো কেতিয়াও শুনানীৰ বাবে উঠোৱা হোৱা নাছিল। জাতীয় মানৱ অধিকাৰ আয়োগে নিয়োগ কৰা এটা দলে যেতিয়া বিষয়টো হস্তক্ষেপ কৰি ৰাষ্ট্ৰত থকা বিচাৰাধীন বিলাকক পৰিদৰ্শন কৰিছিল তাৰ পিছত তাক মুক্ত কৰি দিয়া হৈছিল।



মাচাল এজন ধনী আৰু শক্তিশালী মানুহ হোৱা হ'লে কি হ'লহেতেন? যদি নিৰ্মাণ কাৰ্যৰ ঠিকাদাৰ সকলৰ লগত কাম কৰা সকল ইঞ্জিনীয়াৰ হ'লহেঁতেন তেন্তে কি হ'ল হয়? সিহতৰ অধিকাৰবোৰ ভঙ্গ হ'লহেঁতেন নে?

DAILY ASSAM



মাচালৰ গোটেই জীৱন নষ্ট হৈ গৈছিল কাৰণ তাৰ বিৰুদ্ধে কেতিয়াও উপযুক্ত বিচাৰ হোৱা নাছিল। আমাৰ সংবিধানে প্ৰত্যেক নাগৰিককে 'জীৱন আৰু স্বাধীনতাৰ' অধিকাৰ প্ৰদান কৰিছে ই ইয়াকে বুজায় যে প্ৰত্যেক নাগৰিকৰে উপযুক্ত আৰু খৰকটীয়া বিচাৰৰ অধিকাৰ থাকিব লাগিব। যেতিয়া সংবিধান প্ৰদত্ত অধিকাৰবোৰ বাস্তৱত প্ৰতিফলিত নহয় তেতিয়া কি হব পাৰে মাচালৰ মোকৰ্দ্দমাটোৱে তাকেই দেখুৱাইছে।

প্ৰথম ঘটনাটোৰ ক্ষেত্ৰত সংবিধানে প্ৰদান কৰা অধিকাৰো ভঙ্গ হৈছিল। কিন্তু ইয়াক বিচাৰালয়ত প্ৰত্যাহ্বান জনোৱা হৈছিল। তাৰ ফলস্বৰূপে বনুৱাসকলে তেওঁলোকৰ অধিকাৰ সম্বলিত মজুৰি হিচাবে তেওঁলোকৰ প্ৰাপ্যখিনি লাভ কৰিছিল। সংবিধানে প্ৰদান কৰা শোষণৰ বিৰুদ্ধে অধিকাৰে বনুৱাসকললৈ ন্যায় নিশ্চিত কৰিছিল।

## অধিকাৰৰ বিধেয়ক (Bill of Rights)

এই দুয়োটা উদাহৰণে অধিকাৰৰ গুৰুত্ব আৰু বাস্তৱত ইয়াৰ যথাৰ্থ প্ৰয়োগক দেখুৱাইছে। এখন গণতন্ত্ৰই এইটো নিশ্চিত কৰিব লাগিব যে প্ৰত্যেক ব্যক্তিৰে কিছুমান অধিকাৰ আছে আৰু চৰকাৰে সদায় এই অধিকাৰবোৰক স্বীকৃতি দিব। সেইকাৰণে প্ৰায়ে বেছিভাগ গণতান্ত্ৰিক ৰাষ্ট্ৰতে সংবিধানত জনসাধাৰণৰ বাবে কিছুমান অধিকাৰ অন্তৰ্ভূক্ত কৰা দেখা যায়। তেনেকুৱা ধৰণৰ সংবিধানৰ দ্বাৰা সুৰক্ষিত আৰু উল্লেখিত এখন অধিকাৰৰ তালিকাক (বিল অব ৰাইটছ) 'অধিকাৰৰ বিধেয়ক' বুলি কোৱা হয়। অধিকাৰৰ বিধেয়কে চৰকাৰক ব্যক্তিৰ অধিকাৰৰ বিৰুদ্ধে কাম কৰাত বাধা দিয়ে আৰু যদি এই অধিকাৰ ভঙ্গ হয় তেন্তে তাৰ নিৰাময়ৰ উপায় নিশ্চিত কৰে।

সংবিধানে ব্যক্তিৰ এই অধিকাৰবোৰ কাৰ পৰা সুৰক্ষিত কৰে? এজন ব্যক্তিৰ অধিকাৰ আন এজন ব্যক্তি বা ব্যক্তিগত সংগঠনৰ দ্বাৰা আশাংকাগ্ৰস্ত হ'ব পাৰে। তেনেকুৱা পৰিস্থিতিত ব্যক্তিক চৰকাৰৰ সুৰক্ষাৰ প্ৰয়োজন হ'ব। সেইকাৰণে চৰকাৰে ব্যক্তিৰ অধিকাৰৰ সুৰক্ষা দিয়াটো প্ৰয়োজন। অন্যহাতে, চৰকাৰৰ অঙ্গবোৰে (বিধানমণ্ডল, কাৰ্য্যপালিকা, আমোলাতন্ত্ৰ অথবা আনকি ন্যায় বিভাগ) সেইবোৰৰ কাৰ্য সম্পাদন কৰোতে ব্যক্তিৰ অধিকাৰ ভঙ্গ কৰিব পাৰে।



*মই এইটো পালো। অধিকাৰৰ বিধেয়ক আমি টিভি বা ফেন কিনোতে পোৱা নিশ্চয়তা পত্ৰৰ নিচিনা নহয়নে? বুজি পাইছানে?*

## ভাৰতীয় সংবিধানত থকা মৌলিক অধিকাৰ সমূহ (Fundamental Rights in the Indian Constitution)

আমাৰ স্বাধীনতা সংগ্ৰামৰ সময়ত, স্বাধীনতা আন্দোলনৰ নেতাসকলে অধিকাৰৰ গুৰুত্ব বুজি পাইছিল আৰু দাবী কৰিছিল যে বৃটিছ শাসক সকলে জনসাধাৰণৰ অধিকাৰক সন্মান জনোৱা উচিত। ১৯২৮ চনতে মতিলাল নেহেৰু সমিটিয়ে অধিকাৰৰ বিধেয়ক দাবী কৰিছিল। সেইকাৰণে এইটো স্বাভাৱিক আছিল যে, যেতিয়া ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিছিল আৰু সংবিধান ৰচনা কৰা হৈছিল তেতিয়া সংবিধানত অধিকাৰৰ অন্তৰ্ভূক্ত আৰু সুৰক্ষাৰ ক্ষেত্ৰত কোনো দ্বিমত হোৱা নাছিল। সংবিধানে অধিকাৰবোৰ তালিকাভূক্ত কৰিছিল যিখিনি বিশেষ ভাৱে সুৰক্ষিত কৰা হ'ব আৰু সেইবোৰক 'মৌলিক অধিকাৰ' বুলি কোৱা হৈছিল।

মৌলিক শব্দটোৱে ইঙ্গিত দিয়ে এই অধিকাৰবোৰ কিমান গুৰুত্বপূৰ্ণ যে সংবিধানে এইবোৰক পৃথককৈ অন্তৰ্ভূক্ত কৰিছে আৰু এইবোৰৰ সুৰক্ষাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। মৌলিক অধিকাৰবোৰ ইমান গুৰুত্বপূৰ্ণ যে সংবিধানে এইটো নিজেই নিশ্চিত কৰিছে যে এইবোৰ চৰকাৰৰ দ্বাৰা ভঙ্গ নহয়।

আমাৰ অন্য প্ৰাপ্য অধিকাৰবোৰতকৈ মৌলিক অধিকাৰবোৰ পৃথক। যেতিয়া সাধাৰণ আইনগত অধিকাৰবোৰ সাধাৰণ আইনৰ দ্বাৰা সুৰক্ষিত আৰু বলবৎ কৰা হয়, মৌলিক অধিকাৰবোৰ ৰাষ্ট্ৰৰ সংবিধানৰ দ্বাৰা সুৰক্ষিত আৰু নিশ্চিত কৰা হয়। সাধাৰণ অধিকাৰেবোৰ সাধাৰণ

## দক্ষিণ আফ্ৰিকাৰ সংবিধানত থকা অধিকাৰৰ বিধেয়ক (Bill of Rights in the South African Constitution)



দক্ষিণ আফ্ৰিকাৰ সংবিধাখন ১৯৯৬ চনৰ ডিছেম্বৰ মাহত আৰম্ভ কৰা হৈছিল। ইয়াৰ সৃষ্টি আৰু মুক্ত ঘোষণা এনেকুৱা এটা সময়ত হৈছিল যেতিয়া আনকি বৰ্ণবৈষম্য চৰকাৰৰ পতনৰ পিছত দক্ষিণ আফ্ৰিকাই এখন গৃহ যুদ্ধৰ দৰে এটা ভয়ৰ সন্মুখীন হ'ব লগীয়া হৈছিল। দক্ষিণ আফ্ৰিকাৰ সংবিধানে কৈছিল যে "অধিকাৰৰ বিধেয়ক" হৈছে দক্ষিণ আফ্ৰিকাত গণতন্ত্ৰৰ প্ৰধান ভিত্তি"। ই "জাতি, লিঙ্গ, গৰ্ভধাৰণ, বিবাহৰ সামাজিক মৰ্য্যদা, গোষ্ঠীগত আৰু সামাজিক মূল, বৰ্গ, বৰ্ণ, বয়স, অসমৰ্থতা, ধৰ্ম্ম, বিবেক, বিশ্বাস, সংস্কৃতি, ভাষা আৰু জন্মৰ" ভিত্তিত বৈষম্যতা নোহোৱা কৰে। ই সম্ভৱ নাগৰিকক আটাইতকৈ বেছি অধিকাৰ প্ৰদান কৰে। এটা বিশেষ সাংবিধানিক বিচাৰালয়ে সংবিধানত সযত্নে ৰক্ষিত এই অধিকাৰবোৰ বলবৎ কৰে।

দক্ষিণ আফ্ৰিকাৰ, সংবিধানত অন্তৰ্ভূক্ত কিছুমান অধিকাৰে অন্তৰ্ভূক্ত কৰে,

- মৰ্য্যদাৰ অধিকাৰ
- গোপনীয়তাৰ অধিকাৰ
- ন্যায্য শ্ৰমৰ অধিকাৰৰ অভ্যাস
- স্বাস্থ্যসন্মত পৰিবেশৰ অধিকাৰ আৰু পৰিবেশ সুৰক্ষাৰ অধিকাৰ
- উপযুক্ত বাসস্থানৰ অধিকাৰ
- স্বাস্থ্যৰ যত্ন, আহাৰ, পানী আৰু সামাজিক সুৰক্ষাৰ অধিকাৰ
- শিশুৰ অধিকাৰ
- প্ৰাথমিক আৰু উচ্চ শিক্ষাৰ অধিকাৰ
- সাংস্কৃতিক, ধৰ্ম্মীয় আৰু ভাষিক সম্প্ৰদায়ৰ অধিকাৰ
- সংবাদৰ অধিকাৰ

DAILY ASSAM



আইন প্ৰণয়ন প্ৰক্ৰিয়াৰে বিধানমণ্ডলৰ দ্বাৰা পৰিবৰ্তন কৰিব পৰা যায়। কিন্তু এটা মৌলিক অধিকাৰ সংবিধান সংশোধনৰ দ্বাৰাহে পৰিবৰ্তন কৰিব পৰা যায়। ইয়াৰ বাহিৰেও, চৰকাৰৰ কোনো এটা অঙ্গই এইবোৰ ভঙ্গ হোৱাকৈ কাৰ্য কৰিব নোৱাৰে। এই অধ্যায়টোতে আগলৈ আমি আলোচনা কৰিম যে, চৰকাৰৰ কাৰ্যৰ দ্বাৰা যাতে মৌলিক অধিকাৰ ভঙ্গ নহয় সেইখিনি সুৰক্ষাৰ দায়িত্ব আৰু ক্ষমতা ন্যায়বিভাগৰ আছে। ন্যায় বিভাগে কাৰ্য্যপালিকা আৰু বিধানমণ্ডলৰ কাৰ্য বে-আইনী বুলি ঘোষণা কৰিব পাৰে যদিহে এইবোৰে মৌলিক অধিকাৰ ভঙ্গ কৰে অথবা অযুক্তিকৰভাৱে সেইবোৰৰ ওপৰত সীমাবদ্ধতা আনি দিয়ে। তথাপিও, মৌলিক অধিকাৰবোৰ চৰম বা অসীম অধিকাৰ নহয়। চৰকাৰে আমাৰ মৌলিক অধিকাৰ প্ৰয়োগৰ ক্ষেত্ৰত যুক্তিসংগতভাৱে ভাবে সীমাবদ্ধতা আনিব পাৰে।

**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

ভাৰতবৰ্ষ আৰু আফ্ৰিকাৰ সংবিধানত থকা অধিকাৰৰ বিধেয়কৰ তুলনা কৰি চোৱা। অধিকাৰবোৰৰ এখনৰ তালিকা প্ৰস্তুত কৰা যিবোৰ,

- দুয়োখন সংবিধানতেই একে
- দক্ষিণ আফ্ৰিকাৰ সংবিধানত আছে কিন্তু ভাৰতৰ সংবিধানত নাই
- দক্ষিণ আফ্ৰিকাত স্পষ্টকৈ প্ৰদান কৰা হৈছে কিন্তু ভাৰতীয় সংবিধানত অন্তৰ্নিহিত হৈ আছে।

## সমতাৰ অধিকাৰ (Right to Equality)

তলৰ দুটা পৰিবেশ ধাৰণা কৰা। এইবোৰ কাল্পনিক পৰিবেশ। কিন্তু একেধৰণৰ ঘটনা হয় আৰু হ'ব পাৰে। তুমি ভাবানেকি যে এইবোৰে মৌলিক অধিকাৰ ভঙ্গ কৰিব?

☆ স্বদেশ কুমাৰে তেওঁৰ গাওঁ ভ্ৰমণ কৰিছে। তেওঁৰ বন্ধুসকলৰ এজন তেওঁৰ লগত আছে। তেওঁলোকে গাঁৱৰ ৰাস্তাৰ কাষৰ হোটেলত চাহ খাবলৈ ঠিক কৰিলে। দোকানীজনে স্বদেশ কুমাৰক জানিছিল কিন্তু তেওঁৰ বন্ধুজনৰ নামটো সুধিছিল তাৰ জাতিটো জানিবৰ বাবে। ইয়াৰ পিছত তেওঁ স্বদেশ কুমাৰক এটা ধুনীয়া পিয়লাত আৰু বন্ধুজনক এটা মাটিৰ বাচনত চাহ খাবলৈ দিছিল কাৰণ তেওঁ নিম্ন জাতিৰ লোক আছিল।

**সমতাৰ অধিকাৰ**

- ✓ আইনৰ দৃষ্টিত সমান
- ✓ আইনৰ সমান সুৰক্ষা
- ✓ ধৰ্ম্মৰ ভিত্তিত বৈষম্যতা নোহোৱা কৰা
- ✓ দোকান, স্নানাগাৰ, হোটেল আদিত সমান প্ৰৱেশ।
- ✓ নিয়োগত সুযোগৰ সমতা
- ✓ উপাধি পৰিহাৰ কৰা
- ✓ অস্পৃশ্যতা বৰ্জন কৰা

**ধৰ্ম্মৰ স্বাধীনতা অধিকাৰ**

- ✓ বিবেক আৰু বৃত্তিৰ স্বাধীনতা

**ধৰ্ম্মীয় অনুষ্ঠান সম্পাদনা কৰাৰ স্বাধীনতাঃ**

কিছুমান অনুষ্ঠানত ধৰ্ম্মীয় শিক্ষা দিয়া স্বাধীনতা

**শোষণৰ বিৰুদ্ধে অধিকাৰ**

- ✓ বলপূৰ্বক শ্ৰমক বাধা দিয়া
- ✓ বিপদজনক কৰ্ম্মত শিশুক নিয়োগ কৰাত বাধা

ভাৰতীয় সংবিধান
তৃতীয় অংশ ঃ
মৌলিক অধিকাৰ

**সংবিধান নিৰাময়ৰ অধিকাৰ**

- ✓ আজ্ঞালেখ প্ৰচাৰ কৰাৰ কাৰণে বিচাৰালয়ত যোৱাৰ অধিকাৰ

**স্বতন্ত্ৰতাৰ অধিকাৰ আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰঃ**

- ✓ কথা কোৱা আৰু প্ৰকাশ কৰা
- ✓ শান্তিপূৰ্ণভাৱে সমবেত হোৱা
- ✓ সংস্থা গঠন কৰা
- ✓ ভাৰতবৰ্ষৰ ভু-খণ্ডত মুক্তভাবে ঘূৰাপকা কৰা।
- ✓ ভাৰতবৰ্ষৰ যিকোনো ঠাইত বাসস্থান নিৰ্ম্মাণ কৰা আৰু বসবাস কৰা, যিকোনো বৃত্তি গ্ৰহণ কৰা আৰু যিকোনো ব্যৱসায় বাণিজ্য গ্ৰহণ কৰা
- ✓ জীৱন আৰু স্বতন্ত্ৰতাৰ অধিকাৰ
- ✓ দোষী আৰু অপৰাধী লোকৰ অধিকাৰ

**সংখ্যালঘূ সকলৰ সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ**

- ✓ সংখ্যালঘু সকলক ভাষা আৰু সংস্কৃতিৰ সুৰক্ষা;
- ✓ সংখ্যালঘূ সকলৰ শিক্ষানুষ্ঠান স্থাপনৰ অধিকাৰ

DAILY ASSAM



★ দূৰদৰ্শনত বাতৰি পঢ়া চাৰিগৰাকীলৈ এটা নিৰ্দেশ জাৰি কৰা হৈছে যে তেওঁলোকে আৰু পৰ্দাত বাতৰি পঢ়িব নালাগে। তেওঁলোক সকলোৱেই মহিলা। কাৰণ দৰ্শোৱা হৈছিল যে তেওঁলোকৰ বয়স পঞ্চল্লিশ বছৰৰ বেছি। একে বয়সৰ দুজন পুৰুষ বাতৰি পৰিবেশকক বাতৰি উপস্থাপন কৰাৰ পৰা আতৰোৱা হোৱা নাই।

এইবোৰ বৈষম্যৰ স্পষ্ট উদাহৰণ। এই ক্ষেত্ৰত এটা বৈষম্য জাতিগত আৰু আনটো ক্ষেত্ৰত ই লিঙ্গ ভিত্তিক। তুমি এনেকুৱা ধৰণৰ বৈষম্যক ন্যায় সংগত বুলি ভাবা নেকি?



*এনেকুৱা ঘটনাবোৰ বাস্তৱত আমাৰ দেশত হয় নেকি? অথবা এইবোৰ সম্পূৰ্ণ কাল্পনিক নেকি?*

সমতাৰ অধিকাৰে এনেকুৱা আৰু আন বৈষম্যক নোহোৱা কৰিব বিচাৰে। ই ৰাজহুৱা স্থান যেনে- দোকান, হোটেল, আমোদ-প্ৰমোদৰ স্থান, কুঁৱা, স্নানাগাৰ, আৰু পূজা-পাতলৰ স্থান আদিত সমান প্ৰবেশৰ ব্যৱস্থা কৰে। এইবোৰত প্ৰবেশৰ ক্ষেত্ৰত জাতি, ধৰ্ম, বৰ্ণ, লিঙ্গ আৰু জন্মস্থানৰ ভিত্তিত কোনো বৈষম্য থাকিব নোৱাৰে। ই ৰাজহুৱা নিয়োগৰ ক্ষেত্ৰটো যিকোনো বৈষম্য নিসিদ্ধ কৰিছে ওপৰত উল্লেখিত যিকোনো এটাৰ ভিত্তিত। এই অধিকাৰটো বৰ গুৰুত্বপূৰ্ণ কাৰণ অতীতত আমাৰ সমাজে সমান প্ৰৱেশৰ অভ্যাস কৰা নাছিল।

অস্পৃশ্যতাৰ অভ্যাস হৈছে অসমতাৰ এটা অমাৰ্জিত প্ৰকাশ। এইবোৰ সমতাৰ অধিকাৰৰ দ্বাৰা নোহোৱা কৰিব পৰা যায়। এই একেই অধিকাৰে এইটো ব্যৱস্থাও কৰিছে যে ৰাষ্ট্ৰই সামৰিক আৰু শিক্ষাৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা দেখুওৱা লোকৰ বাহিৰে আন ব্যক্তিক কোনো উপাধি প্ৰদান কৰিব নোৱাৰে। এইদৰে সমতাৰ অধিকাৰে সকলো নাগৰিকৰ মাজত মৰ্য্যাদা আৰু স্থানৰ সমতা নিশ্চিত কৰি ভাৰতবৰ্ষক এখন প্ৰকৃত গণতান্ত্ৰিক ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰিবলৈ চেষ্টা কৰিছে।

*অনুচ্ছেদ ১৬ (৪)ঃ এই অনুচ্ছেদ মতে ৰাষ্ট্ৰই পিছপৰা শ্ৰেণীৰ নাগৰিকৰ বাবে নিয়োগ বা আসন সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিলে একোৱে বাধা দিব নোৱাৰিব, যিয়ে ৰাষ্ট্ৰৰ মতে, ৰাষ্ট্ৰৰ অধীনৰ সেৱাসমূহত যথোপযুক্ত ভাবে প্ৰতিনিধিত্ব কৰা নাই।*

DAILY ASSAM





তুমি আমাৰ সংবিধানৰ প্ৰস্তাৱনা পঢ়িছানে? ই কেনেকৈ সমতাক বৰ্ণনা কৰিছে? তুমি দেখিবা যে প্ৰস্তাৱনাই সমতা সম্পৰ্কে দুটা কথা উল্লেখ কৰিছেঃ সামাজিক পদমৰ্য্যদাৰ সমতা আৰু সুযোগৰ সমতা। সুযোগৰ সমতাই বুজাই যে সমাজৰ সকলো শ্ৰেণীৰ মানুহে সমান সুযোগ সুবিধা উপভোগ কৰে।

কিন্তু এখন সমাজ য'ত বিভিন্ন ধৰণৰ সামাজিক অসমতা আছে, তাত সমান সুযোগে কি বুজাই? সংবিধানে এইটো স্পষ্ট কৰি দিয়ে যে, চৰকাৰে সমাজৰ কিছুমান শ্ৰেণীৰ অৱস্থাৰ উন্নতিৰ বাবে বিশেষ আঁচনি আৰু পদক্ষেপ হাতত ল'ব পাৰেঃ শিশু, মহিলা আৰু সামাজিক আৰু শিক্ষাগতভাবে পিছপৰা শ্ৰেণীৰ বাবে তুমি চাকৰি আৰু প্ৰৱেশৰ ক্ষেত্ৰত সংৰক্ষণৰ কথা শুনিব পাৰা। তুমি আচৰিত হ'ব পাৰা, আমি যেতিয়া সমতাৰ নীতিয়েই অনুসৰণ কৰো, সংৰক্ষণৰ ব্যৱস্থা কিয় আছে। মুঠতে ১৬(৪) অনুচ্ছেদে স্পষ্টকৈ ব্যক্তি কৰিছে যে সংৰক্ষণৰ নিচিনা এটা নীতিক সমতাৰ অধিকাৰ খৰ্ব কৰা বুলি ধৰা নহব। তুমি যদি সংবিধানৰ তাৎপৰ্য্য লক্ষ্য কৰা, সুযোগৰ সমতাৰ অধিকাৰ পৰিপূৰ্ণ কৰাৰ বাবে ইয়াৰ প্ৰয়োজনীয়তা আছে।

### তুমি এজন বিচাৰক (You are the Judge)



তুমি হাদিবন্ধুৰ পৰা এখন চিঠি পালা, যিয়ে নিজকে উৰিষ্যাৰ পুৰী জিলাৰ "নিম্ন সম্প্ৰদায়ৰ এজন সদস্য" হিচাবে চিনাকী দিয়ে। এই সম্প্ৰদায়ৰ মানুহে এটা ৰীতি মানিবলৈ অস্বীকাৰ কৰে য'ত তেওঁলোকে বিবাহ কাৰ্য্যত উচ্চ জাতিৰ দৰা আৰু আলহীসকলৰ ভৰি ধুৱাব লাগে। প্ৰতিশোধণত, এই সম্প্ৰদায়ৰ চাৰিগৰাকী মহিলাক শাৰীৰিক নিৰ্য্যাতন দিয়া হৈছিল আৰু আন এগৰাকীক নাঙঠকৈ কুচকাৱাজ কাৰোৱা হৈছিল। চিঠি লিখকজনে কৈছে, "আমাৰ শিশুসকল শিক্ষিত আৰু তেওঁলোকে উচ্চ সম্প্ৰদায়ৰ ভৰি ধুৱাই দিয়া পৰম্পৰাগত ৰীতি মানিবলৈ ইচ্ছুক নহয়, বিবাহৰ ভোজন শেষ হোৱাৰ পিছত বৈ যোৱাবোৰ পেলাই দিয়া আৰু বাচনবোৰ ধুই পেলোৱা।"

ধৰিলোৱা হ'ল যে ওপৰত দিয়া ঘটনাটো সত্য, তুমি নিৰ্ণয় কৰিব লাগিব ঃ

এই ঘটনাটোৱে মৌলিক অধিকাৰ ভঙ্গ কৰিছে নেকি?

এই ঘটনাটোত তুমি চৰকাৰক কি কৰিবলৈ কোৱা?

DAILY ASSAM



***অনুচ্ছেদ ২১ ঃ ব্যক্তিগত স্বতন্ত্ৰতা আৰু জীৱনৰ সুৰক্ষা— কোনো ব্যক্তিকেই জীৱন বা ব্যক্তিগত স্বতন্ত্ৰতাৰ পৰা বঞ্চিত কৰিব পৰা নাযাব আইনৰ দ্বাৰা প্ৰতিষ্ঠিত প্ৰক্ৰিয়াৰ বাহিৰে।***

## স্বাধীনতাৰ অধিকাৰ (Right to Freedom)

সমতা আৰু স্বাধীনতা বা স্বতন্ত্ৰতা, গণতন্ত্ৰৰ দুটা আটাইতকৈ প্ৰয়োজনীয় অধিকাৰ। এটাৰ অবিহনে আনটোৰ কথা চিন্ত কৰাটো সম্ভৱপৰ নহয়। স্বতন্ত্ৰতা মানে— চিন্তা, মত প্ৰকাশ আৰু কাৰ্য্যৰ স্বাধীনতা। তাৰমানে ই এইটো নুবুজায় যে এজনে যি বিচাৰে তাকেই কৰিব পৰাৰ স্বাধীনতা। যদি সেইটো সন্মতি দিব পৰা হ'লহেতেন তেনেহলে বহুতো মানুহে তেওঁলোকৰ স্বাধীনতা উপভোগ কৰিবলৈ সমৰ্থ নহ'ব। সেইকাৰণে স্বাধীনতাবোৰক এনেকৈ সংজ্ঞাবদ্ধ কৰা হয় যে প্ৰত্যেক ব্যক্তিয়েই আনৰ স্বাধীনতাত ভীতি প্ৰদৰ্শন নকৰাকৈ আৰু আইন-কানুনৰ পৰিবেশ বিপন্ন নকৰাকৈ নিজৰ স্বাধীনতা উপভোগ কৰিব।

## জীৱন আৰু ব্যক্তিগত স্বতন্ত্ৰতাৰ অধিকাৰ (Right to life and personal liberty)



*এইটোৱে ইয়াকে বুজাই নেকি যে কিছু ক্ষেত্ৰত কিছুমানৰ জীৱন আইনে কাঢ়ি ল'ব পাৰে? এইটো আচৰিত যেন লাগিছে। তুমি এটা উদাহৰণ ভাবিব পাৰিবানে?*

স্বাধীনতাৰ অধিকাৰবোৰৰ ভিতৰত প্ৰধান অধিকাৰ হৈছে জীৱন আৰু ব্যক্তিগত স্বতন্ত্ৰতাৰ অধিকাৰ। কোনো নাগৰিককেই তেওঁৰ বা তাইৰ জীৱন অস্বীকাৰ কৰিব নোৱাৰি কেৱল মাত্ৰ আইনত থকা প্ৰক্ৰিয়াৰ বাহিৰে। একেদৰে কাকোৱেই তেওঁৰ বা তাইৰ ব্যক্তিগত স্বতন্ত্ৰতা অস্বীকাৰ কৰিব নোৱাৰি। তাৰমানে কাকোৱেই বিনা কাৰণত গ্ৰেপ্তাৰ কৰিব নোৱাৰি। যদিহে গ্ৰেপ্তাৰ কৰা হয় সেই ব্যক্তিজনৰ নিজৰ পছন্দৰ আইনজ্ঞৰ দ্বাৰা নিজক বচোৱাৰ অধিকাৰ আছে। আৰক্ষীৰ কাৰণেও ওচৰত থকা দণ্ডাধীশ জনৰ ওচৰলৈ সেই ব্যক্তিজনক ২৪ ঘন্টাৰ ভিতৰত লৈ যোৱাটো বাধ্যতামূলক। দণ্ডাধীশ জন, যিজন আৰক্ষীৰ অংশ নহয় তেওঁহে নিৰ্ণয় কৰিব সেই গ্ৰেপ্তাৰ ন্যায়সংগত হয়নে নহয়।

DAILY ASSAM



এই অধিকাৰটো কেৱলমাত্ৰ এজন ব্যক্তিৰ জীৱন কাঢ়ি লৈ যোৱাৰ বিৰুদ্ধে জামিনেই নহয় কিন্তু ইয়াৰ বিস্তৃত প্ৰয়োগ। উচ্চতম ন্যায়ালয়ৰ বিভিন্ন বিচাৰে এই অধিকাৰটোৰ পৰিসৰ বৃদ্ধি কৰিছে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত কৈছে যে এই অধিকাৰটোত শোষণ বিহীন মানৱীয় মূল্যবোধৰে জীয়াই থকাৰ অধিকাৰো অন্তৰ্ভূক্ত হৈছে। বিচাৰালয়ে আৰু কৈছে যে বাসস্থান আৰু জীৱিকা নিৰ্বাহৰ উপায়ো জীৱনৰ অধিকাৰত অন্তৰ্ভূক্ত হৈছে কাৰণ কোনো ব্যক্তিয়েই জীয়াই থকাৰ মাধ্যম নোহোৱাকৈ জীৱন নিৰ্বাহ কৰিব নোৱাৰে। সেইটো হ'ল, জীৱিকা নিৰ্বাহৰ উপায়।

### বাধাজনক আটক অৱস্থা (Preventive Detention)

সাধাৰণতে এগৰাকী ব্যক্তিক কিবা এটা দোষ কৰাৰ খবৰ পোৱাৰ পিছত গ্ৰেপ্তাৰ কৰা হয়। কিন্তু এই ক্ষেত্ৰত ব্যতিক্ৰমো আছে। কেতিয়াবা এজন ব্যক্তিক কিবা বে-আইনী কাৰ্যত জৰিত বুলি অনুমানৰ ভিত্তিটো গ্ৰেপ্তাৰ কৰা হয় আৰু কিছুসময়ৰ বাবে আটক কৰি ৰখা হয় ওপৰত উল্লেখ কৰা প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈ। ইয়াকেই বাধাজনক আটক অৱস্থা বুলি জনা যায়। ইয়াৰ অৰ্থ এইটোৱেই যে যদি চৰকাৰে ভাৱে যে এজন ব্যক্তি ৰাষ্ট্ৰৰ আইন-কানুন অথবা শান্তি সুৰক্ষাৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছে সেই ব্যক্তি জনক আটক বা গ্ৰেপ্তাৰ কৰিব পাৰে। এই বাধাজনক অৱস্থাৰ সময় কেৱল মাত্ৰ তিনিমাহলৈহে বৃদ্ধি কৰিব পাৰি। তিনিমাহৰ পিছত এনেকুৱা ঘটনাবোৰ পুনৰ পৰীক্ষাৰ বাবে পৰামৰ্শকাৰী গোটৰ আগত উত্থাপন কৰা হয়।

এইটোলৈ চাই, বাধাজনক আটক অৱস্থাক সমাজ বিৰোধী আৰু ধ্বংসকাৰী উপাদান সমূহৰ লগত সম্পৰ্কলৈ অহাৰ এটা শক্তিশালী মাধ্যম যেন বোধ হয়। কিন্তু এই ব্যৱস্থাটো প্ৰায়ে চৰকাৰৰ দ্বাৰা অপব্যৱহৃত হয়। বহু জনসাধাৰণে ভাৱে যে এই আইনখনত আৰু বেছি সুৰক্ষাৰ ব্যৱস্থা থাকিব লাগে যাতে এইখন জনসাধাৰণৰ বিৰুদ্ধে অপ-ব্যৱহাৰ হ'ব নোৱাৰে যুক্তি সংগত কাৰণত। মুঠতে জীৱনৰ অধিকাৰ আৰু ব্যক্তিগত স্বতন্ত্ৰতা আৰু বাধাজনক আটক অৱস্থা ব্যৱহাৰৰ মাজত এটা স্পষ্ট উত্তেজনা আছে।

DAILY ASSAM




### অন্যান্য স্বাধীনতা (Other Freedoms)

তুমি দেখিবলৈ পাবা যে স্বাধীনতাৰ অধিকাৰৰ অধীনত কিছুমান অন্যান্য অধিকাৰো আছে। এই অধিকাৰবোৰ কিন্তু চৰম নহয়। ইয়াৰ প্ৰত্যেকৰে ওপৰতেই চৰকাৰে কিছুমান সীমাবদ্ধতা জাপি দিছে।

উদাহৰণ স্বৰূপে কথা কোৱা আৰু প্ৰকাশৰ স্বাধীনতাৰ ওপৰত ৰাজহুৱা নিয়ম শান্তি আৰু নৈতিকতাৰ দৰে সীমাবদ্ধতা আছে। সমবেত হোৱাৰ স্বাধীনতাও শান্তিপূৰ্ণভাৱে আৰু অস্ত্ৰ-শস্ত্ৰ বিহীনভাৱেহে উপভোগ কৰিব পাৰি। পাঁচজন বা তাতকৈ বেছি মানুহ সমবেত হোৱাটো বে-আইনী বুলি ঘোষণা কৰি চৰকাৰে কিছুমান দিশৰ ওপৰত সীমাবদ্ধতা আনিব পাৰে। এনেকুৱা ক্ষমতা প্ৰশাসনৰ দ্বাৰা অতি সহজেই অপব্যৱহৃত হয়। চৰকাৰে এখন আইনৰ বা নীতিৰ বিৰুদ্ধে মানুহৰ অকৃত্ৰিম বিৰোধক সন্মতি দিবলৈ অস্বীকাৰ কৰিব পাৰে। তথাপি, যদি জনসাধাৰণে নিজৰ অধিকাৰ সম্পৰ্কে সচেতন আৰু সতৰ্ক প্ৰহৰী হয় আৰু প্ৰশাসনৰ তেনেকুৱা কাৰ্য্যৰ বিৰুদ্ধে

*মই অনুভৱ কৰো যে মৌলিক অধিকাৰবোৰৰ বেছিভাগেই এজন পুলিচ কনিষ্টবলৰ দৃষ্টিভংগিৰে প্ৰস্তুত কৰা হৈছিল। তুমি দেখিবা যে খুউব কম অধিকাৰকহে অনুমতি দিয়া হৈছে আৰু প্ৰায় অপৰিবৰ্তনীয় চৰ্ত অনুসৰণ কৰা হৈছে। প্ৰায় প্ৰত্যেকটো অনুচ্ছেদতেই এটা চৰ্ত পালন কৰা হৈছে যিটোৱে অধিকাৰক প্ৰায় সম্পূৰ্ণৰূপে কাঢ়ি লৈ যায়।*

*মৌলিক অধিকাৰ সম্পৰ্কে আমাৰ ধাৰণা কি হোৱা উচিত?...আমি ইয়াৰ প্ৰত্যেকটো অধিকাৰকেই সংলগ্ন কৰিব বিচাৰো যিখিনি আমাৰ জনসাধাৰণে পাব বিচাৰে।*



*সোমনাথ লাহিড়ী*

বিৰোধ কৰিবলৈ আৰম্ভ কৰে, তেতিয়া তেনেকুৱা ধৰণৰ অপব্যৱহাৰ নোহোৱা হ'ব। সাংবিধানিক সভাৰ, কিছুমান সদস্যই অধিকাৰৰ সীমাবদ্ধতাৰ বিষয়ে তেওঁলোকৰ অসন্তোষ প্ৰকাশ কৰিছিল।

DAILY ASSAM



## অভিযুক্ত হোৱাৰ অধিকাৰ (Right of Accused)

আমাৰ সংবিধানে নিশ্চিত কৰিছে যে বিভিন্ন দোষত অভিযুক্ত ব্যক্তিয়েও যথেষ্ট সুৰক্ষা পাব। আমি প্ৰায়ে বিশ্বাস কৰো যে ব্যক্তি যিয়ে কিছুমান অপৰাধ কৰিছে তেওঁ দোষী। তথাপি কোনো ব্যক্তি অপৰাধী নহয় যেতিয়ালৈকে বিচাৰালয়ে তেওঁ কৰা অপৰাধৰ বাবে তেওঁক দোষী সাব্যস্ত নকৰে। এইটোও প্ৰয়োজনীয় যে যিকোনো দোষত অভিযুক্ত এজন ব্যক্তিয়ে তেওঁৰ সুৰক্ষাৰ বাবে যথোপযুক্ত সুযোগ পোৱা উচিত। ন্যায়ালয়ত এটা নিৰপেক্ষ বিচাৰ কৰিবৰ বাবে, সংবিধানে তিনিধৰণৰ অধিকাৰৰ ব্যৱস্থা কৰিছে:

- কোনো ব্যক্তিকেই একেটা দোষৰ বাবে এবাৰতকৈ বেছি শাস্তি-প্ৰদান কৰিব পৰা নাযাব।
- কোনো আইনেই পিছৰ তাৰিখৰ পৰা কোনো কাৰ্য্যকেই বে-আইনী ঘোষণা কৰিব নোৱাৰে।
- কোনো ব্যক্তিকে তেওঁ বা তাইৰ নিজৰ বিৰুদ্ধে প্ৰমাণ দিবলৈ ক'ব পৰা নাযাব।

### তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা

তুমি ভাৱানেকি যে তলৰ পৰিৱেশবোৰে স্বাধীনতাৰ অধিকাৰৰ ওপৰত সীমাবদ্ধতাৰ দাবী কৰে? তোমাৰ উত্তৰৰ সমৰ্থনত যুক্তি আগবঢ়োৱা

(ক) সাম্প্ৰদায়িক সংঘৰ্ষৰ সমদলৰ কাৰণে মহানগৰত জনসাধাৰণ সমবেত হৈছে।

(খ) দলিত সকলক এটা মন্দিৰত সোমাবলৈ দিয়া হোৱা নাই। মন্দিৰত বলপূৰ্বক সোমোৱাবলৈ এটা সমদল উলিওৱা হৈছে।

(গ) শ-শ জনজাতীয়লোকে তেওঁলোকৰ পৰম্পৰাগত অস্ত্ৰ-শস্ত্ৰ, ধনু-শৰ আৰু কুঠাৰেৰে সু-সজ্জিত হৈ ৰাস্তা বন্ধ কৰিছে। তেওঁলোকে দাবী কৰিছে যে এটা উদ্যোগৰ বাবে লোৱা ৰাহি হোৱা ভূ-খণ্ড তেওঁলোকক ঘূৰাই দিব লাগে।

(ঘ) এটা জাতিৰ পঞ্চায়তে মিলিত হৈছে এগাল নৱ দম্পত্তীক শাস্তি বিহাৰ বাবে। কাৰণ তেওঁলোকে নিজৰ জাতিৰ বাহিৰত বিয়া কৰাইছে।

## শোষণৰ বিৰুদ্ধে অধিকাৰ (Right Against Exploitation)

আমাৰ দেশত লাখ লাখ মানুহ আছে যিসকল বিশেষ সুবিধাৰ বাহিৰৰ আৰু বঞ্চিত শ্ৰেণী। তেওঁলোক শোষণৰ বলী হ'ব পাৰে তেওঁলোকৰ সংগীসকলৰ দ্বাৰাই। আমাৰ

DAILY ASSAM



দেশত তেনেকুৱা এটা শোষণ হৈছে ভিক্ষাৰী অথবা মজুৰি বিহীন বলপূৰ্বক শ্ৰম। শোষণৰ আন এটা ঘনিষ্ঠ সম্পৰ্কিত ৰূপ হৈছে মানুহ বেচা-কিনা কৰা আৰু তেওঁলোকক দাস হিচাবে ব্যৱহাৰ কৰা। এই দুয়োটাই সংবিধানৰ অধীনত নিষেধ কৰা হৈছে। অতীতত জমিদাৰ সকল, টকা ধাৰে দিয়াসকল আৰু অন্যান্য সম্পদশালী লোকসকলে বলপূৰ্বক শ্ৰম জাপি দিছিল। কিছুমান ঋণাধীন শ্ৰম আমাৰ দেশত এতিয়াও প্ৰচলিত হৈ আছে, বিশেষকৈ ইটাৰ ভাটিৰ কামবোৰত। ইয়াক এতিয়া এটা অপৰাধ বুলি ঘোষণা কৰা হৈছে আৰু ই শাস্তিযোগ্য।



মৌলিক অধিকাৰটোৰ নাম কোৱা যিটো ভংগ হোৱাটো এই ফটোখনত বৰ্ণনা কৰা হৈছে।

খনি আৰু উদ্যোগৰ বিপদজ্জনক কামত ১৪ বছৰ বয়সৰ তলৰ ল'ৰা-ছোৱালীক নিয়োগ কৰটোও সংবিধানে নিষিদ্ধ কৰিছে। শিশু-শ্ৰমক বে-আইনী কৰা আৰু শিক্ষাৰ অধিকাৰ শিশু সকলৰ এটা মৌলিক অধিকাৰ হোৱাৰ বাবে এই শোষণৰ বিৰুদ্ধে অধিকাৰ বেছি অৰ্থবহ হৈ পৰিছে।

### ধৰ্ম্মীয় স্বাধীনতাৰ অধিকাৰ (Right to Freedom of Religion)

আমাৰ সংবিধান মতে, প্ৰত্যেকেই নিজৰ পছন্দমতে ধৰ্ম্ম অনুসৰণ কৰাৰ অধিকাৰ উপভোগ কৰে। এই স্বাধীনতাটো গণতন্ত্ৰৰ এটা চাপ হিচাপে পৰিগণিত হৈছে। ঐতিহাসিকভাৱে, পৃথিৱীৰ বিভিন্ন স্থানত বহুত শাসক আৰু সম্ৰাট আছিল যিয়ে তেওঁলোকৰ দেশৰ বাসিন্দাসকলক ধৰ্মীয় স্বাধীনতা উপভোগ কৰিব দিয়া নাছিল। যি ব্যক্তিয়ে শাসকতকৈ ভিন্ন ধৰ্ম্ম অনুসৰণ কৰে, হয় তেওঁক নিৰ্য্যাতন দিয়া হৈছিল নহয় শাসকৰ ধৰ্ম্মলৈ তেওঁক বলপূৰ্বকভাৱে পৰিবৰ্তন কৰোৱা হৈছিল। সেই কাৰণে গণতন্ত্ৰই সদায় জনসাধাৰণে নিজৰ পছন্দমতে ধৰ্ম্ম গ্ৰহণ কৰিব পৰাৰ স্বাধীনতাটো ইয়াৰ এটা প্ৰধান নীতি হিচাপে সংযোজিত কৰিছে।

DAILY ASSAM



## বিশ্বাস আৰু উপাসনাৰ স্বাধীনতা (Freedom of faith and worship)

ভাৰতবৰ্ষত প্ৰত্যেকেই মুক্তভাৱে নিজৰ পছন্দমতে ধৰ্ম্মগ্ৰহণ আৰু প্ৰচাৰ কৰিব পাৰে। ধৰ্ম্মীয় স্বাধীনতাই বিবেকৰ স্বাধীনতাকো অন্তৰ্ভুক্ত কৰিছে। ইয়াৰ অৰ্থ হ'ল যে এজন ব্যক্তিয়ে নিজৰ ইচ্ছামতে যিকোনো ধৰ্ম্ম গ্ৰহণ কৰিব পাৰে অথবা ইচ্ছা অনুসৰি কোনো ধৰ্ম্ম গ্ৰহণ নকৰাকৈয়ো থাকিব পাৰে। ধৰ্ম্মীয় স্বাধীনতাই যিকোনো ধৰ্ম্ম ব্যক্ত, অনুসৰণ আৰু প্ৰসাৰিত কৰাক বুজায়। ধৰ্ম্মীয় স্বধীনতাতো কিছুমান সীমাবদ্ধতা আছে। ৰাজহুৱা শান্তি শৃঙ্খলা, নৈতিকতা আৰু স্বাস্থ্য ৰক্ষাৰ কাৰণে, ধৰ্ম্মীয় স্বাধীনতা উপাসনাৰ ক্ষেত্ৰত চৰকাৰে কিছুমান বাধা আৰোপ কৰিব পাৰে। এইটোৰ অৰ্থ হ'ল যে ধৰ্ম্মীয় স্বাধীনতা এটা অসীম অধিকাৰ নহয়। কিছুমান সামাজিক বেয়া প্ৰথাক নোহোৱা কৰিবৰ বাবে ধৰ্ম্মীয় ক্ষেত্ৰত চৰকাৰে হস্তক্ষেপ কৰিব পাৰে। উদাহৰণ স্বৰূপে, অতীতত চৰকাৰে সতীদাহ প্ৰথা, একেলগে দুই পতি বা পত্নী গ্ৰহণ আৰু নৰবলিৰ নিচিনা প্ৰথাক বন্ধ কৰিবৰ বাবে বিভিন্ন ধৰণৰ পদক্ষেপ হাতত লৈছিল। ধৰ্ম্মীয় স্বাধীনতাৰ অধিকাৰত হস্তক্ষেপ কৰা বুলি তেনেকুৱা সীমাবদ্ধতাবোৰৰ কেতিয়াও বিৰোধীতা কৰিব পৰা নাযায়।

ধৰ্ম্মীয় স্বাধীনতাৰ অধিকাৰত থকা সীমাবদ্ধতাবোৰে সদায় বিভিন্ন ধৰ্ম্ম অনুসৰণকাৰী আৰু চৰকাৰৰ মাজত উত্তেজনাৰ সৃষ্টি কৰে। যেতিয়াই চৰকাৰে যিকোনো ধৰ্ম্মীয় সংগঠনৰ কিছুমান কাৰ্য্যৰ ওপৰত বাধা আৰোপ কৰিব বিচাৰে, সেই ধৰ্ম্মৰ মানুহখিনিয়ে এয়া তেওঁলোকৰ ধৰ্ম্মৰ ওপৰত হস্তক্ষেপ কৰা বুলি অনুভৱ কৰে।

ধৰ্ম্মীয় স্বাধীনতা আন এটা কাৰণটো ৰাজনৈতিক বিবাদৰ বিষয় হৈ পৰিছে। সংবিধানে ব্যক্তিৰ নিজৰ ধৰ্ম্মপ্ৰচাৰ কৰাৰ অধিকাৰ নিশ্চিত কৰিছে। ইয়াত জনসাধাৰণক এটা ধৰ্ম্মৰ পৰা আন ধৰ্ম্মলৈ ধৰ্ম্মান্তৰিত হ'বলৈ প্ৰৰোচনা কৰাটোও অন্তৰ্ভূক্ত হৈছে। তথাপিও কিছুমান মানুহে ধৰ্ম্মান্তৰিত হোৱাটোত বাধা দিছে কাৰণ এইবোৰ ভয় প্ৰদৰ্শন আৰু প্ৰলোভনৰ ভিত্তিত কৰা হয়। সংবিধানে বলপূৰ্বক ধৰ্ম্ম পৰিবৰ্তনক সন্মতি দিয়া নাই। ই কেবল মাত্ৰ আমাক নিজৰ ধৰ্ম্ম সম্পৰ্কে খবৰ প্ৰচাৰ কৰি আনক আকৰ্ষিত কৰাৰহে অধিকাৰ দিছে।

## সকলো ধৰ্ম্মৰ সমতা (Equality of all religions)

ৰাষ্ট্ৰখন বহুটো ধৰ্ম্মৰ বাসস্থান হোৱাৰ বাবে, চৰকাৰৰ বাবেও এইটো প্ৰয়োজনীয় যে বিভিন্ন ধৰ্ম্মৰ প্ৰতি সমানেই আচৰণ কৰিব লাগিব। নেতিবাচকভাৱে, ই বুজাই যে

DAILY ASSAM



চৰকাৰে কোনো বিশেষ ধৰ্ম্মক অনুগ্ৰহ নকৰিব। ভাৰতবৰ্ষত কোনো ৰাষ্ট্ৰীয় ধৰ্ম্ম নাই। এজন প্ৰধান মন্ত্ৰী বা ৰাষ্ট্ৰপতি বা বিচাৰক বা ৰাইজৰ পদাধিকাৰী হ'বৰ বাবে আমি কোনো বিশেষ ধৰ্ম্মৰ লোক হ'ব নালাগে। আমি সমতাৰ অধিকাৰৰ ক্ষেত্ৰটো দেখিছো যে, চৰকাৰে নিয়োগৰ ক্ষেত্ৰত ধৰ্ম্মৰ ভিত্তিত কোনো বৈষম্য নকৰিব বুলি নিশ্চিত কৰিছে। ৰাষ্ট্ৰৰনিয়ন্ত্ৰণাধীন অনুষ্ঠানবোৰে কোনো ধৰ্ম্ম প্ৰচাৰ নকৰে অথবা ধৰ্ম্মীয় শিক্ষা নিদিয়ে আৰু যিকোনো ধৰ্ম্মৰ কোনো ব্যক্তিৰ প্ৰতি অনুগ্ৰহো নেদেখুৱায়। এই ব্যৱস্থাটোৰ উদ্দেশ্য হৈছে ধৰ্ম্ম নিৰপেক্ষ নীতিক ধৰি ৰাখি প্ৰতিপালন কৰা।



*কাৰ্য্যাৱলী*

তোমাৰ গাঁও বা চহৰত হোৱা ৰাজহুৱা ধৰ্ম্মীয় কাৰ্য্যৰ এখন তালিকা প্ৰস্তুত কৰা।

এইবোৰৰ কিহে এটা ধৰ্ম্মীয় স্বাধীনতাৰ অধিকাৰক অন্তৰ্ভুক্ত কৰে?

তোমাৰ নিজৰ ঠাইৰ মানুহৰ বাবে যদি এই অধিকাৰবোৰ পৰ্য্যাপ্ত পৰিমানে নাথাকিলহেঁতেন কি হ'লহেতেন আলোচনা কৰা।

## সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ (Cultural and Educational Rights)

যেতিয়া আমি ভাৰতীয় সমাজৰ কথা কওঁ, আমাৰ সম্মুখত বিভিন্নতাৰ ওখন প্ৰতিচ্ছবি ভাহি উঠে। ভাৰতীয় সমাজখন এক প্ৰস্তৰৰ স্তম্ভৰে গঠিত নহয়। আমাৰ সমাজখনত বহুবেছি বিভিন্নতা আছে। এনেকুৱা এখন সমাজ যিখন বিভিন্নতাৰে পৰিপূৰ্ণ, অন্য গোষ্ঠীৰ তুলনাত তাত কিছুমান সৰু সামাজিক গোট থাকিব। যদি এটা গোষ্ঠী সংখ্যালঘু হয়, ই সংখ্যাগৰিষ্ঠৰ সাংস্কৃতি গ্ৰহণ কৰিব লাগিব নেকি?

আমাৰ সংবিধানে বিশ্বাস কৰে যে বিভিন্নতাই হৈছে আমাৰ শক্তি। সেইকাৰণে মৌলিক অধিকাৰবোৰৰ ভিতৰত এটা অধিকাৰ হৈছে সংখ্যালঘুসকলৰ নিজৰ কলা-সংস্কৃতিক অধিকাৰ। এই সংখ্যালঘুসকলৰ পদ মৰ্য্যাদা কেৱলমাত্ৰ ধৰ্মৰ ওপৰতেই প্ৰতিপালন কৰাৰ নিৰ্ভৰশীল নহয়। ভাষাগত আৰু সাংস্কৃতিক সংখ্যালঘুসকলো এই ব্যৱস্থাত অন্তৰ্ভূক্ত হৈছে। সংখ্যালঘুসকল হৈছে উমৈহতীয়া ভাষা বা ধৰ্ম্ম থকা গোষ্ঠীবোৰ আৰু ৰাষ্ট্ৰৰ এটা বিশেষ অংশত বা গোটেই ৰাষ্ট্ৰতেই তেওঁলোক আন কিছুমান সামাজিক অংশৰ দ্বাৰা সংখ্যাত অধিকতৰ হৈছে। তেনেকুৱা সম্প্ৰদায়বোৰৰ

DAILY ASSAM







চৰ্দাৰ হুকম সিং

(CAD. VIII. P. 322

সংখ্যাগৰিষ্ঠ সকলৰ ওপৰত এটা গধুৰ দায়িত্ব দিয়া হ'ব সেইটো চোৱাৰ বাবে যাতে সংখ্যালঘু সকলে নিৰাপদ অনুভৱ কৰে...সংখ্যা লঘুসকলৰ নিৰাপত্তা কেৱল মাত্ৰ ধৰ্ম্মনিৰপেক্ষ ৰাষ্ট্ৰতহে আছে। ই তেওঁলোকক স্ব-জাতীক হিচাবে মজুৰি দিয়ে...সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ে তেওঁলোকৰ জাতিয়তাবাদী দৃষ্টিভংগীক লৈ অহংকাৰ কৰা উচিত নহয়। তেওঁলোকে নিজকে সংখ্যালঘুসকলৰ স্থানত ৰাখি চোৱা উচিত আৰু তেওঁলোকৰ ভয়ক প্ৰশংসা কৰিবলৈ চেষ্টা কৰা উচিত। সকলো দাবী সুৰক্ষাৰ বাবে...এইবোৰ হ'ল সংখ্যালঘুসকলৰ মনত থকা ভয়ৰ প্ৰতিফল...তেওঁলোকৰ ভাষা, হস্তলিপি আৰু তেওঁলোকৰ সেৰাসমূহৰ বাবে।

নিজস্ব সংস্কৃতি, ভাষা আৰু হস্তলিপি আছে আৰু সেইবোৰ ধৰি ৰাখি বিকাশ কৰাৰ অধিকাৰ আছে।

ধৰ্ম্মীয় বা সকলো ভাষিক সংখ্যালঘুৱেই নিজৰ শিক্ষানুষ্ঠান স্থাপন কৰিব পাৰে। সেইটো কৰি তেওঁলোকে নিজৰ সংস্কৃতিক ধৰি ৰাখিব পাৰে আৰু ইয়াৰ বিকাশ কৰিব পাৰে। চৰকাৰে যেতিয়া শিক্ষানুষ্ঠানবোৰক সাহাৰ্য্য দিব, সংখ্যালঘুসকলে পৰিচালনা কৰা শিক্ষানুষ্ঠান বুলি কোনো শিক্ষানুষ্ঠানৰ বিৰুদ্ধে কোনো বৈষম্য নকৰিব।

## সাংবিধানিক নিৰাময়ৰ অধিকাৰ (Right to Constitutional Remedies)

এজনে সন্মত হ'ব যে আমাৰ সংবিধানত মৌলিক অধিকাৰৰ এখন যথেষ্ট আকৰ্ষণীয় তালিকা অন্তৰ্ভূক্ত হৈছে। কিন্তু কেৱলমাত্ৰ অধিকাৰ সম্বলিত এখন তালিকা লিখাটোৱেই যথেষ্ট নহয়। তাত এটা উপায় থাকিব লাগিব যাৰ দ্বাৰা সেইবোৰ বাস্তৱত প্ৰতিফলিত কৰিব পৰা যায় আৰু যিকোনো ধৰণৰ আক্ৰমণৰ পৰা এই অধিকাৰবোৰ সুৰক্ষিত কৰিব পৰা যায়। সাংবিধানিক নিৰাময়ৰ অধিকাৰ হৈছে এটা মাধ্যম যাৰ দ্বাৰা এইবোৰ আহৰণ কৰিব পৰা যায়। ড° আম্বেদকাৰে সাংবিধানিক নিৰাময়ৰ অধিকাৰক 'সংবিধানৰ হৃদপিণ্ড আৰু আত্মা' বুলি কৈছে।

DAILY ASSAM



কাৰণ এই অধিকাৰটোৱে এজন নাগৰিকক যদি কিবা কাৰণত তেওঁলোকৰ মৌলিক অধিকাৰ ভংগ হয় সেইবোৰ পুনৰুদ্ধাৰৰ বাবে উচ্চ বা উচ্চতম ন্যায়ালয়ৰ ওচৰত আবেদন জনোৱাৰ অধিকাৰ দিছে। উচ্চতম বা উচ্চ ন্যায়ালয়ে চৰকাৰৰ প্ৰতি এই অধিকাৰবোৰ বলবৎ কৰিবৰ বাবে নিয়ম জাৰি কৰিব পাৰে বা নিৰ্দেশ দিব পাৰে। বিচাৰালয়ে বিভিন্ন বিশেষ আদেশ জাৰি কৰিব পাৰে যিবোৰক আজ্ঞালেখ বুলি জনা যায়।



*মই মোৰ নিজৰ ঠাইত এজন সংখ্যালঘু, কিন্তু চহৰত এজন সংখ্যাগৰিষ্ঠ। যদি মোৰ ভাষালৈ চোৱা মই সংখ্যালঘু, কিন্তু যদি মোৰ ধৰ্মলৈ চোৱা মই এজন সংখ্যাগৰিষ্ঠ .... আমি সকলোৱেই সংখ্যালঘু নহয়নে?*

- **বন্দি-প্ৰত্যক্ষীকৰণ** (Habeas corpus) ঃ হেবিয়াস কৰপাস আজ্ঞালেখে বুজাই যে ন্যায়ালয়ে গ্ৰেপ্তাৰ কৰা ব্যক্তিক ইয়াৰ সম্মুখত উপস্থিত কৰাবলৈ আদেশ দিব। ই এজন গ্ৰেপ্তাৰ হোৱা ব্যক্তিক মুক্ত কৰিবলৈ আদেশ দিব পাৰে যদিহে গ্ৰেপ্তাৰ হোৱা কাৰণটো আইনসংগত বা সন্তোষজনক নহয়।
- **পৰমাধিদেশ বা আদালতৰ হুকুম** (Mandamous) ঃ আজ্ঞালেখ জাৰি কৰা হয় যেতিয়া বিচাৰালয়ে দেখে যে এজন বিশেষ পদাধিকাৰীয়ে আইনগত কৰ্তব্য পালন কৰা নাই আৰু তাৰ দ্বাৰা এজন ব্যক্তিৰ অধিকাৰ লংঘন কৰিছে।
- **নিষেধাজ্ঞা** (Prohibition) ঃ এই আজ্ঞালেখ এটা উচ্চতৰ বিচাৰালয়ে জাৰি কৰে (উচ্চ বা উচ্চতম ন্যায়ালয়) যেতিয়া এখন নিম্ন আদালতে দেখে যে এটা ঘটনা ইয়াৰ ন্যায়িক ক্ষেত্ৰৰ বাহিৰলৈ গৈছে।
- **অধিকাৰৰ পৃচ্ছা** (Quo Warranto) ঃ যদি বিচাৰালয়ে দেখে যে এজন ব্যক্তিয়ে এটা পদত অধিষ্ঠিত হৈ আছে কিন্তু তেওঁ সেই পদত থাকিব নালাগে, ই অধিকাৰ পৃচ্ছা আজ্ঞালেখ জাৰি কৰিব পাৰে আৰু সেই ব্যক্তিজনক এজন পদাধিকাৰ হিচাপে কাম কৰাৰ পৰা বিৰত ৰাখিব পাৰে।
- **উৎপ্ৰেক্ষণ লেখ** (Certiorari) ঃ এই আজ্ঞালেখৰ অধীনত,

DAILY ASSAM



বিচাৰালয়ে এখন নিম্ন আদালত বা আন কৰ্তৃপক্ষৰ বিচাৰাধীন হৈ থকা বিষয় এটা উচ্চতৰ কৰ্তৃপক্ষ নাইবা বিচাৰালয়লৈ বদলি কৰিবলৈ নিৰ্দেশ দিয়ে।

ন্যায়পালিকাৰ বাহিৰেও, জনসাধাৰণৰ অধিকাৰ সুৰক্ষাৰ বাবে আন বহুতো ব্যৱস্থাৰ সৃষ্টি কৰা ৰাষ্ট্ৰীয় মহিলা আয়োগ, ৰাষ্ট্ৰীয় জনজাতীয় আয়োগ ইত্যাদিৰ নাম

**মানৱ অধিকাৰ আয়োগ (Human Rights Commission)**

যিকোনো সংবিধানে প্ৰদান কৰা অধিকাৰবোৰ বাস্তৱত সম্পূৰ্ণ প্ৰতিফলিত হ'লেহে ইয়াৰ সঁচা সোৱাদ পোৱা যায়। সমাজৰ দুখীয়া, অশিক্ষিত আৰু বঞ্চিত শ্ৰেণীৰ মানুহে এই অধিকাৰবোৰ উপভোগ কৰাৰ সামৰ্থ থাকিব লাগে। পৌৰ স্বাধীনতাৰ বাবে জনসাধাৰণৰ ঐক্য (Pepople's Union for Civil liberties, PUPL) অথবা গণতান্ত্ৰিক অধিকাৰৰ বাবে জনসাধাৰণৰ ঐক্য (Pepople's Union for Democratic Rights, PUPL) ৰ নিচিনা স্বাধীন সংগঠনে অধিকাৰ খৰ্বৰ বিৰুদ্ধে সতৰ্ক প্ৰহৰী হিচাবে কাম কৰি আছে। এই পটভূমিত, ২০০০ চনত চৰকাৰে এটা অনুষ্ঠান প্ৰতিষ্ঠা কৰিছে, যিটো ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ।

এই ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগটো গঠিত হৈছে (NHRC) ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ এজন অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ, উচ্চতম ন্যায়ালয়ৰ এজন অৱসৰপ্ৰাপ্ত বিচাৰক, উচ্চ ন্যায়ালয়ৰ এজন অৱসৰপ্ৰাপ্ত মুখ্য-ন্যায়াধীশ আৰু দুজন অন্য সদস্য যাৰ মানৱ অধিকাৰৰ লগত জড়িত বিষয়ৰ ওপৰত বাস্তৱিক অভিজ্ঞতা আছে।

আয়োগৰ কাৰ্য্যসমূহ হ'ল— ই নিজৰ উদ্যোগত তদন্ত কৰা অথবা ক্ষতিগ্ৰস্ত লোকে মানৱ অধিকাৰ ভংগৰ অভিযোগৰ ভিত্তিত আৱেদন জনালে; কাৰাগাৰ পৰিদৰ্শন কৰা, মানৱ অধিকাৰৰ ক্ষেত্ৰত গৱেষণাৰ দায়িত্ব লোৱা আৰু ইয়াক আগবঢ়াই লৈ যোৱা ইত্যাদি।

আয়োগে প্ৰতিবছৰে হাজাৰ হাজাৰ অভিযোগ পায়। এইবোৰৰ ভিতৰত কাৰাগাৰতে মৃত্যু, কাৰাগাৰত বলাৎকাৰ, অন্তৰ্দ্ধান হোৱা আৰক্ষীৰ আতিশায্য, কাৰ্য্য অৱলম্বনত অকৃতকাৰ্য্যতা, মহিলালৈ অমৰ্যদা ইত্যাদি। ইয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ হস্তক্ষেপ হ'ল পাঞ্জাৱৰ অন্তৰ্দ্ধান হোৱা ডেকাৰ ওপৰত আৰু গুজৰাটৰ দাঙ্গাৰ ঘটনাৰ তদন্ত আৰু বিচাৰ য'ত ইয়াৰ হস্তক্ষেপ কাৰ্য্যকৰী প্ৰমাণিত হৈছিল।

আয়োগৰ মোকৰ্দ্দমা চলোৱাৰ ক্ষমতা নাই। ই কেৱল চৰকাৰ বা বিচাৰালয়ক ই চলোৱা তদন্তৰ ভিত্তিত মোকৰ্দ্দমাৰ কাৰ্য্যধাৰা কৰিবলৈ পৰামৰ্শ দিব পাৰে।

DAILY ASSAM



শুনিব পাৰা। এই অনুষ্ঠানবোৰে মহিলা, সংখ্যালঘু আৰু দলিত সকলৰ অধিকাৰ সুৰক্ষিত কৰে। তাৰোপৰি মৌলিক অধিকাৰ আৰু আন ধৰণৰ অধিকাৰ সুৰক্ষাৰ বাবে আইনৰ দ্বাৰা ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগো প্ৰতিষ্ঠা কৰা হৈছে।

## ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি (Directive Priniples of State Policy)

আমাৰ সংবিধান প্ৰণেতা সকলে জানিছিল যে স্বাধীন ভাৰতে বহুটো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ গৈ আছিল। ইয়াৰ ভিতৰত আছিল প্ৰধান প্ৰত্যাহ্বান হৈছে সকলো নাগৰিকৰ মাজত সমতা আৰু কল্যাণ প্ৰতিষ্ঠা কৰা। তেওঁলোকেও ভাবিছিল যে এই সমস্যাবোৰ সমাধান কৰিবলৈ কিছুমান নীতি-নিৰ্দেশনাৰ প্ৰয়োজন আছিল। একে সময়তে, সংবিধানে ভৱিষ্যতৰ চৰকাৰক কিছুমান নীতি, সিদ্ধান্তৰ দ্বাৰা সীমাবদ্ধ কৰিব বিচৰা নাছিল।

সেইকাৰণে সংবিধানত কিছুমান পথ-নিৰ্দেশনা অন্তৰ্ভূক্ত কৰা হৈছিল কিন্তু সেইবোৰ অইনগতভাবে বলবৎযোগ্য কৰা হোৱা নাছিল। তাৰ অৰ্থ হ'ল এই যে যদি চৰকাৰে এটা বিশেষ পথ-নিৰ্দেশনা কাৰ্যকৰী নকৰিলেহেতেন, তেতিয়া সেই নীতি কাৰ্য্যকৰী কৰিবলৈ চৰকাৰক নিৰ্দেশ দিবৰ বাবে আমি বিচাৰালয়ক কব নোৱাৰো। এইদৰে এই পথ নিৰ্দেশনাবোৰ ন্যায়সংগত নহয় (i.e) তাৰমানে সংবিধানৰ অংশবোৰ ন্যায়পালিকাৰ দ্বাৰা বলবৎ যোগ্য নহয়। যিয়ে আমাৰ সংবিধান প্ৰনয়ণ কৰিছিল ভাবিছিল যে এই নিৰ্দোশনাবোৰৰ আঁৰত থকা নৈতিক শক্তিয়ে এইটো নিশ্চিত কৰিব যে চৰকাৰে এইবোৰ আন্তৰিকতাৰে গ্ৰহণ কৰিব। তাৰোপৰি তেওঁলোকে আশা কৰিছিল যে জনসাধাৰণে এই নিৰ্দেশনাবোৰ কাৰ্যকৰী কৰিবলৈ চৰকাৰক দায়িত্বশীল কৰিব। সেইকাৰণে সংবিধানত এখন পৃথক নীতি-নিৰ্দেশনা অন্তৰ্ভূক্ত কৰা হৈছিল। এই নিৰ্দেশনাবোৰৰ তালিকাখনকেই ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি বুলি কোৱা হয়।

## ৰাষ্ট্ৰীৰ নিৰ্দেশাত্মক নীতিত কি আছে? (What do the Directive Principles Contain?)

ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিৰ অধ্যায়টোৱে প্ৰধানকৈ তিনিটা বিষয় তালিকাভূক্ত কৰিছে ঃ

- আমি এখন সমাজ হিচাপে কি লক্ষ্য আৰু উদ্দেশ্য গ্ৰহণ কৰা উচিত।
- মৌলিক অধিকাৰৰ বাহিৰেও কিছুমান অধিকাৰ ব্যক্তিয়ে উপভোগ কৰা উচিত, আৰু
- কিছুমান নীতি চৰকাৰে গ্ৰহণ কৰা উচিত।

তলত উল্লেখ কৰা ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিসমূহ লক্ষ্য কৰিলে তুমি আমাৰ সংবিধান প্ৰণেতাসকলৰ দূৰদৃষ্টিৰ কিছু আভাষ পাব পাৰা।

DAILY ASSAM



চৰকাৰবোৰে সময়ে সময়ে কিছুমান নির্দেশাত্মক নীতিক কার্য্যকৰী কৰিবলৈ প্ৰচেষ্টা চলাই আহিছে। সিহতে জমিদাৰী প্ৰথাৰ বিলোপ সম্পৰ্কীয় কেইবাখনো আইন প্ৰচলন কৰিছিল। বেঙ্কৰ ৰাষ্ট্ৰীয়কৰণ, বিভিন্ন কাৰখানাৰ আইন বিধিবদ্ধ কৰিছিল, নিম্নতম মজুৰি নিৰ্দ্ধাৰণ কৰিছিল, কুটীৰ আৰু ক্ষুদ্ৰ শিল্পৰ বিকাশ কৰিছিল, অনুসূচীত জাতি-জনজাতিৰ বিকাশৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থা কৰিছিল। ৰাষ্ট্ৰৰ নির্দেশাত্মক নীতিক কার্য্যকৰী কৰাৰ কিছু প্ৰচেষ্টা হৈছে- শিক্ষাৰ অধিকাৰ, সমগ্ৰ ৰাষ্ট্ৰতে পঞ্চায়তীৰাজ ব্যৱস্থা গঠন কৰা, নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনত আংশিক কৰ্মৰ অধিকাৰ আৰু দুপৰীয়া আহাৰৰ ব্যৱস্থা ইত্যাদি।

**নাগৰিকৰ মৌলিক কৰ্তব্য** (Fundamental Duties of citizens)

- ১৯৭৬ চনত সংবিধানৰ ৪২ তম সংশোধনী গ্ৰহণ কৰা হৈছিল। আন বিষয়ৰ ভিতৰত এই সংশোধনে নাগৰিকৰ মৌলিক কৰ্তব্যৰ এখন তালিকা অন্তৰ্ভুক্ত কৰিছিল মুঠতে দহটা কৰ্তব্যৰ বিশেষ বিৱৰণ দিয়া হৈছিল। কিন্তু সংবিধানে এই কৰ্তব্যবোৰ বলবৎ কৰাৰ বিষয়ে একো কোৱা নাই।
- নাগৰিক হিচাপে, আমি সংবিধান মতে চলিব লাগিব, আমাৰ ৰাষ্ট্ৰক ৰক্ষা কৰিব লাগিব, সকলো নাগৰিকৰ মাজত মিলা প্ৰীতি বৃদ্ধি কৰিব লাগিব, পৰিবেশ সুৰক্ষিত কৰিব লাগিব।
- তথাপি, এইটো মন কৰিব লাগিব যে আমাৰ অধিকাৰবোৰ সংবিধানে আমাৰ উপভোগ কৰাৰ ক্ষেত্ৰত কৰ্তব্য পালনৰ ওপৰত চৰ্তভিত্তিক বা নিৰ্ভৰশীল কৰা নাই। এইদৰে মৌলিক কৰ্তব্যৰ অন্তৰ্ভুক্তিয়ে মৌলিক অধিকাৰৰ মৰ্য্যাদা ক্ষুণ্ণ কৰা নাই।

## তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা

এইটো গণনা কৰা হৈছে যে ভাৰতবৰ্ষত প্ৰায় তিনিলাখ চহৰীয়া গৃহহীন লোক আছে। এই জনসাধাৰণৰ মাজত আশ্ৰয় লোৱা লোক পাচঁ শতাংশতকৈ বেছি নহয়। শ শ এনেকুৱা বৃদ্ধ, বেমাৰী গৃহহীন মানুহৰ শীতৰ দিনত শীতৰ প্ৰকোপত মৃত্যু হয়। তেওঁলোকে 'বাসগৃহৰ প্ৰমাণ' দিব নোৱাৰাৰ বাবে ৰেচন কাৰ্ড বা ভোটদানৰ পত্ৰ পাব নোৱাৰে। এইবোৰ নথি-পত্ৰৰ অবিহনে তেওঁলোকে অভাৱগ্ৰস্ত বেমাৰী হিচাবে চৰকাৰী সাহাৰ্য্যও লাভ কৰিব নোৱাৰে। এই গৃহহীন মানুহৰ বহুসংখ্যকেই আকস্মিক শ্ৰমিক, যিসকলে বৰ কম মজুৰি উপাৰ্জন কৰে। তেওঁলোকে ৰাষ্ট্ৰৰ বিভিন্ন অংশৰ পৰা কৰ্মৰ সন্ধানত চহৰলৈ ভ্ৰমণ কৰে।

এই তথ্যবোৰ ব্যৱহাৰ কৰি সাংবিধানিক নিৰাময়ৰ অধিকাৰৰ অধীনত ভাৰতৰ উচ্চতম ন্যায়ালয়লৈ এখন আবেদন লিখা। তোমাৰ আবেদনত উল্লেখ থকা উচিত ঃ

(ক) গৃহহীন সকলৰ দৈনন্দিন জীৱনত কি মৌলিক অধিকাৰ অস্বীকাৰ কৰা হৈছে?

(খ) তুমি উচ্চতম ন্যায়ালয়ক কেনেকুৱা ধৰণৰ নির্দেশ জাৰি কৰিবলৈ অনুৰোধ কৰিবা?

DAILY ASSAM



## মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিৰ মাজত সম্পৰ্ক (Relationship between Fundamental Rights and Directive Principles)

মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি এটা আনটোৰ পৰিপূৰক হিচাবে চোৱাটো সম্ভৱ। মৌলিক অধিকাৰে চৰকাৰক কিছুমান কাম কৰাত বাধা দিয়ে আনহাতে ৰাষ্ট্ৰৰ

### নিৰ্দেশাত্মক নীতি

*লক্ষ্য*

জনসাধাৰণ কল্যাণ, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়,

জীয়াই থকাৰ মাণদণ্ড উন্নত কৰা, সম্পদৰ সম বিতৰণ

বিশ্ব শান্তি বৃদ্ধি কৰা

*নীতিবোৰ*

একেই পৌৰ নিয়মাৱলী; মদ সেৱন কৰাত বাধা;

কুটিৰ শিল্পৰ বিকাশ,

উপকাৰী জন্তুক বধ কৰা নিষেধ,

গাওঁ পঞ্চায়তৰ বিকাশ।

*অবিচাৰযোগ্য অধিকাৰবোৰ*

যথোপযুক্ত জীৱিকা নিৰ্বাহৰ উপায়

সমান কামৰ বাবে সমান মজুৰি (পুৰুষ আৰু মহিলাৰ)

অৰ্থনৈতিক শোষণৰ বিৰুদ্ধে অধিকাৰ

কৰ্মৰ অধিকাৰ

শিশুৰ মুক্ত আৰু বাধ্যতামূলক শিক্ষা অধিকাৰ।



*মোক কোৱা, সংবিধানত ভাল ভাল কথা কোৱাৰ কি অৰ্থ আছে যদিহে কোনো বিচাৰালয়ে ইয়াক কাৰ্য্যকৰী নকৰে?*

নির্দেশাত্মক নীতিয়ে চৰকাৰক কিছুমান কাম কৰিবলৈ উপদেশ দিয়ে। মৌলিক অধিকাৰে প্ৰাধানকৈ ব্যক্তিৰ অধিকাৰৰ সুৰক্ষা দিয়ে ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিয়ে সমগ্ৰ ৰাষ্ট্ৰৰ কল্যাণ নিশ্চিত কৰে। তথাপি, সময়ত যেতিয়া চৰকাৰে ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিক কাৰ্য্যকৰী কৰিবলৈ অভিপ্ৰায় কৰে, ই নাগৰিকৰ মৌলিক অধিকাৰৰ লগত সংঘৰ্ষত লিপ্ত হ'ব পাৰে।

এই সমস্যাটো উদ্ভৱ হৈছিল যেতিয়া চৰকাৰে জমিদাৰী প্ৰথা বিলোপ সাধনৰ বাবে আইন প্ৰাণয়ন কৰিব বিচাৰিছিল। এইবোৰে সম্পত্তিৰ অধিকাৰ খৰ্ব কৰাৰ ভিত্তিত এই পদক্ষেপবোৰৰ বিৰোধিতা কৰা হৈছিল। তথাপি ব্যক্তিগত স্বাৰ্থতকৈ সামাজিক প্ৰয়োজনীয়তা বেছি গুৰুত্বপূৰ্ণ কথাষাৰ মনত ৰাখি চৰকাৰে ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিক কাৰ্য্যকৰী কৰিবলৈ সংবিধান সংশোধন কৰিছিল। এইটোৱে এখন দিঘলীয়া আইনগত যুদ্ধ চলাই নিছিল। কাৰ্য্যপালিকা আৰু ন্যায়পালিকাই বিভিন্ন স্থান লৈছিল। চৰকাৰে দাবী কৰিছিল যে নিৰ্দেশাত্মক নীতিক কাৰ্য্যকৰী কৰিবৰ বাবে অধিকাৰবোৰ সংক্ষিপ্ত কৰিব পৰা যায়। এইটো যুক্তিয়ে ধৰি লৈছিল যে জনসাধাৰণৰ কল্যাণৰ বাবে অধিকাৰবোৰ বাধা আছিল। আনহাতে, বিচাৰালয়ে মত আগবঢ়াইছিল যে মৌলিক অধিকাৰবোৰ ইমান গুৰুত্বপূৰ্ণ আৰু পবিত্ৰ আছিল যে সেইবোৰ আনকি নিৰ্দেশাত্মক নীতিক কাৰ্য্যকৰী কৰিবৰ বাবেও সীমিত কৰিব পৰা নাযায়।

**সম্পত্তিৰ অধিকাৰ** (Right to Property)

অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিৰ মাজৰ সম্পৰ্কৰ বিবাদৰ আঁতৰত, এটা গুৰুত্বপূৰ্ণ কাৰণ আছিল সংবিধানত মূলতঃ এটা মৌলিক অধিকাৰ আছিল সম্পত্তি আহৰণ, ধৰি ৰখা আৰু প্ৰতিপাল কৰাৰ অধিকাৰ। কিন্তু সংবিধানে এইটো স্পষ্ট কৰি দিছিল যে ৰাজহুৱা কল্যাণৰ বাবে চৰকাৰে সম্পত্তি অধিগ্ৰহণ কৰি ল'ব পাৰিব। ১৯৫০ চনৰ পৰা চৰকাৰে বহুটো আইন প্ৰণয়ন কৰিছিল যিবোৰে সম্পত্তিৰ অধিকাৰক সীমিত কৰিছিল। এই অধিকাৰটো এটা দীঘলীয়া সময় ধৰি নিৰ্দেশাত্মক নীতি আৰু অধিকাৰৰ মাজৰ সম্পৰ্কৰ ওপৰত হোৱা বিবাদৰ কেন্দ্ৰ বিন্দু আছিল। অৱশেষত ১৯৭৩ চনত, উচ্চতম ন্যায়ালয়ে এটা সিদ্ধান্ত দিছিল যে সম্পত্তিৰ অধিকাৰ সংবিধানৰ মূল গাঁথনিৰ এটা অংশ নাছিল আৰু সেইকাৰণে সংসদৰ ক্ষমতা আছিল এটা সংশোধনৰ দ্বাৰা এই অধিকাৰক সংক্ষিপ্ত কৰাৰ। ১৯৭৮ চনত, সংবিধানৰ ৪৪ তম সংশোধনীয়ে সম্পত্তিৰ অধিকাৰক মৌলিক অধিকাৰৰ তালিকাৰ পৰা বাদ দিছিল আৰু ইয়াক এটা সাধাৰণ আইনগত অধিকাৰলৈ ৰূপান্তৰিত কৰিছিল।

সম্পত্তিৰ অধিকাৰত পদমৰ্য্যাদাৰ পৰিবৰ্তনে কি পাৰ্থক্য আনিছে বুলি তুমি ভাবা?

DAILY ASSAM



এইটোৱে অন্য এটা জটিল বিতৰ্কৰ উৎপত্তি কৰিছে। এইটো সংবিধান সংশোধনৰ লগত জড়িত। চৰকাৰে কৈছিল যে সংসদে সংবিধানৰ যিকোনো অংশ সংশোধন কৰিব পাৰে। বিচাৰালয়ে কৈছিল যে সংসদে মৌলিক অধিকাৰ ভঙ্গ হোৱাকৈ কোনো সংশোধন কৰিব নোৱাৰে। এই বিবাদটো সমাধান হৈছিল উচ্চতম ন্যায়ালয়ৰ এটা গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ দ্বাৰা কেচাভানান্দা ভাৰতীৰ মোকৰ্দমাত। এই ঘটনাটোতে, বিচাৰালয়ে কৈছিল যে সংবিধানৰ কিছুমান মূল বৈশিষ্ট্য আছে আৰু এইবোৰ সংসদৰ দ্বাৰা পৰিবৰ্তন কৰিব নোৱাৰি। আমি নৱম অধ্যায়ত এইটো বিশদভাবে আলোচনা কৰিম 'সংবিধান এখন জীৱিত দলিল হিচাপে'।



DAILY ASSAM



**তোমাৰ প্ৰগতিৰ পৰীক্ষা কৰা**

দক্ষিণ আফ্ৰিকাৰ সংবিধানত থকা অধিকাৰৰ বিধেয়ক আৰু ভাৰতবৰ্ষৰ সংবিধানত থকা নিৰ্দেশাত্মক নীতিৰ মূল বিষয়বোৰ পঢ়া।

দুইখন তালিকাত থকা কোনবোৰ বিষয় উমৈহতীয়া?

দক্ষিণ আফ্ৰিকাৰ সংবিধানে কিয় এই বিষয়বোৰ অধিকাৰৰ বিধেয়কত সংলগ্ন কৰিছিল?

যদি তুমি এখন নতুন দেশৰ বাবে সংবিধান লিখি আছা তুমি কি পৰামৰ্শ আগবঢ়াব?

## সামৰণি

জটিৰাও ফুলেৰ (১৮২৯-১৮৯০) লিখনীত, মহাৰাষ্ট্ৰৰ এজন চৰমপন্থী সমাজ সংস্কাৰক আমি দেখা পাওঁ, এটা আগৰ ধাৰণা যে অধিকাৰে স্বাধীনতা আৰু সমতা দুয়োটাকেই সামৰি লয়। জাতীয় আন্দোলনৰ সময়ত, অধিকাৰৰ ধাৰণাটো সাংবিধানিক অধিকাৰ হিচাবে বেছি তীক্ষ্ণ আৰু বিকশিত হৈছিল। আমাৰ সংবিধানে এই দীঘলীয়া পৰম্পৰাক প্ৰতিফলিত কৰিছিল আৰু মৌলিক অধিকাৰ সমূহক তালিকা ভূক্ত কৰিছিল। ১৯৫০ চনৰ পৰা ন্যায়বিভাগে অধিকাৰ সমূহৰ গুৰুত্বপূৰ্ণ ৰক্ষক হিচাপে কাম কৰি আহিছে।

ন্যায়িক ব্যাখ্যাই বহু অধিকাৰৰ পৰিসৰ বৃদ্ধি কৰিছে। চৰকাৰৰ আৰু আমাৰ দেশৰ প্ৰশাসনে এই সম্পূৰ্ণ গাঁথনিৰ মাজত কাৰ্য্য কৰে। অধিকাৰে চৰকাৰৰ কাৰ্য্যৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰে আৰু ৰাষ্ট্ৰত গণতান্ত্ৰিক শাসন ব্যৱস্থা নিশ্চিত কৰে।

DAILY ASSAM

## অনুশীলনী

১। প্ৰত্যেকটো উক্তিৰ বিৰুদ্ধে শুদ্ধনে অশুদ্ধ লিখা।

(ক) এখন অধিকাৰৰ বিধেয়কে জনসাধাৰণে উপভোগ কৰা অধিকাৰবোৰ সজাই ৰাখে।

(খ) এখন অধিকাৰৰ বিধেয়কে এজন ব্যক্তিৰ স্বতন্ত্ৰতাৰ সুৰক্ষা দিয়ে।

(গ) পৃথিৱীৰ প্ৰত্যেক ৰাষ্ট্ৰৰে এখন অধিকাৰৰ বিধেয়ক আছে।

(ঘ) সংবিধানে অধিকাৰবোৰ খৰ্ব হোৱাৰ বিৰুদ্ধে নিৰাময় নিশ্চিত কৰে।

২। তলৰ কোনবোৰ মৌলিক অধিকাৰ সম্পৰ্কে উত্তম বৰ্ণনা?

(ক) এজন ব্যক্তিৰ থাকিবলগীয়া সকলো অধিকাৰ।

(খ) জনসাধাৰণক আইনৰ দ্বাৰা প্ৰদান কৰা সকলো অধিকাৰ।

(গ) সংবিধান প্ৰদত্ত আৰু সুৰক্ষিত অধিকাৰবোৰ।

(ঘ) সংবিধান প্ৰদত্ত অধিকাৰবোৰ যিবোৰ কেতিয়াও সীমিত কৰিব পৰা নাযায়।

৩। তলৰ পৰিবেশবোৰ পঢ়া। প্ৰত্যেক ক্ষেত্ৰতে কেনেকৈ কোনটো অধিকাৰ ব্যৱহাৰ কৰা হৈছে আৰু কোনটো খৰ্ব কৰা হৈছে?

(ক) ৰাষ্ট্ৰীয় বিমান সেৱা বিভাগত বিমানৰ ভিতৰত সেৱা আগবঢ়োৱা দলৰ ভিতৰত ওজন বৃদ্ধি হোৱা পুৰুষে পদোন্নতি লাভ কৰিব পাৰে কিন্তু তেওঁলোকৰ সহকৰ্মী মহিলাসকল যাৰ ওজন বৃদ্ধি হয় তেওঁলোকক শাস্তি প্ৰদান কৰা হয়।

(খ) এজন নিৰ্দেশকে এখন তথ্যমূলক চলচ্চিত্ৰ বনাই যিখনে চৰকাৰৰ নীতি সমূহৰ সমালোচনা কৰে।

(গ) পুনৰ সংস্থাপনৰ দাবী কৰি সমদল আগবঢ়োৱা জনসাধৰণক শক্তিশালী বাধাৰে অপসাৰিত কৰা হৈছিল।

(ঘ) অন্ধ্ৰ প্ৰদেশৰ বাহিৰটো অন্ধ্ৰ সমাজে তেলেগু মাধ্যমৰ স্কুল পৰিচালনা কৰে।

৪। তলৰ কোনবোৰ সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰৰ ব্যাখ্যা শুদ্ধ ?

(ক) কেৱল সংখ্যালঘু সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীয়েহে তাত অধ্যয়ণ কৰিব পাৰিব যিয়ে শিক্ষানুষ্ঠান মুকলি কৰিছে।

(খ) চৰকাৰী স্কুলসমূহে এইটো নিশ্চিত কৰিব লাগিব যে সংখ্যালঘু সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীক তেওঁলোকৰ বিশ্বাস আৰু সংস্কৃতিৰ সৈতে পৰিচয় কৰোৱা হ'ব।

(গ) ভাষাগত আৰু ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বাবে বিদ্যালয় পাতিব পাৰিব আৰু সেইবোৰ সিহতৰ বাবে সংৰক্ষণ কৰি ৰাখিব পাৰিব।

(ঘ) ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ে এইটো দাবী কৰিব পাৰে যে তেওঁলোকৰ ল'ৰা-ছোৱালী সমূহে তেওঁলোকৰ সম্প্ৰদায়ৰ লোকে পৰিচালনা কৰা শিক্ষানুষ্ঠানৰ বাহিৰে আন কোনো অনুষ্ঠানত নপঢ়ে।

৫। তলৰ কোনটোত মৌলিক অধিকাৰ খৰ্ব হৈছে আৰু কেনেকৈ?

(ক) নিম্নতম মজুৰি প্ৰদান নকৰা।

(খ) এখন কিতাপ বন্ধ কৰি দিয়া।

(গ) ৰাতি ৯ বজাৰ পিছত শব্দ-বিবৰ্ধক যন্ত্ৰ বন্ধ কৰি দিয়া

(ঘ) এটা বক্তৃতা দিয়া।

৬। দুখীয়া মানুহৰ মাজত কাম কৰা এজন কৰ্মীয়ে কৈছে যে দুখীয়া মানুহক মৌলিক অধিকাৰৰ প্ৰয়োজন নাই। তেওঁলোকৰ বাবে প্ৰয়োজনীয় হ'ল ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিক আইনগতভাবে বান্ধ খুউৱা। তুমি এই ক্ষেত্ৰত সন্মতনে? তোমাৰ যুক্তি আগবঢ়োৱা।

৭। কেইবাটাও প্ৰতিবেদনে দেখুৱাইছে যে জাতি গোষ্ঠী যিবোৰ আগতে ৰাষ্ট্ৰৰ ময়লা ছাফা কৰাৰ লগত জড়িত হৈ আছিল তেওঁলোকক বলপূৰ্বকভাবে তেওঁলোকৰ সেৱা আগবঢ়াই যাবলৈ কোৱা হৈছে। তেওঁলোকৰ ল'ৰা-ছোৱালীক শিক্ষা আহৰণৰ বাবে উৎসাহিত কৰা হোৱা নাই। এইটো ঘটনাত তেওঁলোকতৰ কোনটো মৌলিক অধিকাৰ খৰ্ব হৈ আছে?

DAILY ASSAM



৮। এটা মানৱ অধিকাৰ গোষ্ঠীৰ এখন প্ৰতিবেদনে বিচাৰালয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিল ৰাষ্ট্ৰৰ অনাহাৰ আৰু ভোকাতুৰ অৱস্থাৰ ওপৰত। ভাৰতবৰ্ষৰ খাদ্য নিগমৰ গুদাম ঘৰত পাঁচ কোটি টনতকৈও বেছি খাদ্য জমা কৰি ৰখা হৈছিল। গৱেষণাই দেখুৱাই যে বেছিভাগ ৰেচ্‌ন কাৰ্ড থকা মানুহে তেওঁলোকৰ সুলভ মূল্যৰ দোকানৰ পৰা কিমান পৰিমাণৰ খাদ্য সামগ্ৰী কিনিব পাৰিব সেইটো নাজানে। ই বিচাৰালয়ক অনুৰোধ কৰিছিল চৰকাৰক নিৰ্দেশ দিবলৈ যাতে ইয়াৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাটো উন্নত কৰে।

(ক) কি কি বিভিন্ন অধিকাৰ এই ঘটনাটোত জড়িত হৈ আছে? কেনেকৈ এই অধিকাৰবোৰ আন্তঃসংযোগ সম্পন্ন?

(খ) এই অধিকাৰবোৰ জীৱনৰ অধিকাৰৰ এটা অংশ হোৱা উচিতনে?

৯। এই অধ্যায়ত সম্বলিত সাংবিধানিক পৰিষদত সোমনাথ লাহিড়ীয়ে আগবঢ়োৱা উক্তিটো পঢ়া। তুমি তেওঁৰ সৈতে সন্মতনে? যদি হয়, এইটো প্ৰমাণ কৰিবলৈ উদাহৰণ দিয়া। যদি নহয়, তেওঁৰ উক্তিৰ বিৰুদ্ধে যুক্তি আগবঢ়োৱা।

১০। তোমাৰ মতে কোনটো মৌলিক অধিকাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অধিকাৰ? ইয়াৰ ব্যৱস্থাবোৰ সংক্ষেপ কৰা আৰু যুক্তি আগবঢ়াই দেখুওৱা কিয় এইটো আটাইতকৈ গুৰুত্বপূৰ্ণ?